অসম বিধান সভা
উত্তৰদানৰ তাৰিখ- ১৫/০৭/২০২৬
তৰাবিহীন প্ৰশ্ননং- ৩৯৩
*বিষয়ঃ* সীমান্ত এলেকা সম্পৰ্কে
শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত-বাংলাদেশ সীমান্ত এলেকা অসমত কিমান কিলোমিটাৰ দৈৰ্ঘ্যৰ ?

(খ) ইয়াৰে কিমান কিলোমিটাৰ দৈৰ্ঘ্য কাঁইটীয়া তাঁৰেৰে বেৰ দিয়া সম্পূৰ্ণ হৈছে ? যদি বাকী আছে, কেতিয়া সম্পূৰ্ণ কৰিব ?

(গ) সীমান্ত উন্নয়নৰ বাবে বিভাগে কি কি আঁচনি গ্ৰহণ কৰিছে ? বিতং তথ্য দিব।

<u>উত্তৰ</u>

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

(ক) ভাৰত-বাংলাদেশ সীমান্ত এলেকাৰ অসম-বাংলাদেশৰ সীমাৰ মুঠ দৈৰ্ঘ্য ২৬৭.৫ কি.মি. (Survey of India ৰ তথ্য অনুসৰি) । অসমৰ ধুবুৰী, দক্ষিণ-শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ লগত বাংলাদেশৰ সীমা সংলগ্ন হৈ আছে ।

(খ) ভাৰত -বাংলাদেশ সীমা-সম্পূৰ্ণৰূপে ছীল কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। এই সীমাৰ অসমৰ অংশত ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে আৰু ৩৮.৯৫৯ কি.মি. দৈৰ্ঘ্যত কাঁইটিয়া তাঁৰৰ বেৰ দিব পৰা নাই । ইয়াৰে ৩৪.৬০৯ কি.মি দৈৰ্ঘ্য নদী অঞ্চল হোৱা বাবে আৰু শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা ৪.৩৫ কি.মি. দৈৰ্ঘ্য Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে কাইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই । ভাৰত চৰকাৰৰ উপলব্ধ তথ্য অনুসৰি, মুক্ত হৈ থকা নদী অঞ্চলসমূহত Border Security Force (BSF)-এ Comprehensive Integrated Border Management System (CIBMS) ৰ মাধ্যমেৰে তথা নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি নিয়মীয়াভাৱে জলভাগ নিৰীক্ষণ কৰি আহিছে।

(গ) সীমান্ত উন্নয়নৰ বাবে এই বিভাগে গ্ৰহণ কৰা আঁচনি সমূহ হলঃ-

আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল উন্নয়নৰ বাবে ভাৰত চৰকাৰৰ তত্ত্বাৱধানত চলি থকা Border Area Development Programme (BADP) ৰ ঠাইত নতুনকৈ Vibrant Village Programme-II নামেৰে এখন নতুন আঁচনি গ্ৰহণ কৰিছে। অন্যহাতে আন্তঃৰাজ্যিক সীমান্ত অঞ্চল উন্নয়নৰ বাবে গ্ৰহন কৰা আঁচনি সমূহ হল- Border Development Activities, Border Outpost and Border Outreach Programme.

বিঃদ্ৰঃ - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

********